**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-2-2024
**Time :** 1800 Hrs

***Assamese Evening Bulletin***
***:::::::::::::::::::::::::::::::***

বিত্ত মন্ত্ৰী অজন্তা নেওগে আজি বিধানসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেট দাখিল কৰে। এই বাজেটত অসমৰ মুঠ ঘৰুৱা উৎপাদন চলিত বিত্তীয় বৰ্ষত ৬ লাখ ৪৩ হাজাৰ কোটি টকা হ'ব বুলি উল্লেখ কৰা হৈছে। তদুপৰি অহা ৩ বছৰৰ ভিতৰত অসম ১০ লাখ কোটি টকাৰ অৰ্থনীতিলৈ বিকশিত হ'ব বুলিও বাজেটত উল্লেখ কৰা হৈছে। কন্যা-শিশু আৰু মহিলা সৱলীকৰণ, যুৱক-যুৱতীৰ দক্ষতা বিকাশ আৰু অমৃত কালৰ প্ৰত্যাশা পূৰণৰ লক্ষ্যৰে কেইবাটাও উন্নয়নমূলক প্ৰস্তাৱ দিয়া হৈছে। তদুপৰি নিবনুৱা যুৱক-যুৱতীৰ সুবিধাৰ্থে ৩৫ হাজাৰ নতুন চাকৰি দিয়াৰ প্ৰস্তাৱ এই বাজেটত দিয়া হৈছে। এই বাজেটত ১০ লাখ কন্যা-শিশুৰ উচ্চ শিক্ষাত সহায় হোৱাকৈ মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিৰ অধীনত ২৪০ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ দিয়া হৈছে। ইপিনে অৰুণোদয় দ্বিতীয় পৰ্যায় আঁচনিৰ অধীনত দিব্যাংগ, ৰূপান্তৰকামী আৰু অন্যান্য সকলক সামৰি লোৱাৰ বাবে ৩ হাজাৰ ৮০০ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ দিয়া হৈছে। এই আঁচনিৰ অধীনত আঢ়ৈ লাখ অতিৰিক্ত হিতাধিকাৰীক অন্তৰ্ভুক্ত কৰি ৰাজ্যৰ ৩০ লাখতকৈ অধিক পৰিয়াললৈ অৰুণোদয় আঁচনিৰ সুবিধা সম্প্ৰসাৰিত কৰা হ'ব। অসম মাইক্ৰ'ফাইনেন্স উদগণি আৰু সকাহ আঁচনিৰ অধীনত ১২ লাখ ঋণগ্ৰস্ত মহিলাক ঋণৰ পৰা মুক্ত কৰাৰ বাবে ৫৫০ কোটি টকা আৰু ৰাজ্যখনত উদ্যমিতা বিকাশৰ বাবে আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত ১ লাখ যুৱক-যুৱতীক সহায় কৰিব পৰাকৈ এহাজাৰ ১০ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ দিয়া হৈছে। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত গ্ৰামাঞ্চলৰ আত্মসহায়ক গোটৰ ৩৯ লাখ ৬৭ হাজাৰ ৭৪৩ গৰাকী সদস্যালৈ ১০ হাজাৰ টকাকৈ উদ্যোগ পুঁজি আগবঢ়োৱাৰ কথা ঘোষণা কৰা হৈছে। নগৰাঞ্চলতো এই অভিযানৰ অধীনত আঢ়ৈ লাখ আত্মসহায়ক গোটৰ সদস্যক বাজেটত সামৰি লোৱাৰ কথা উল্লেখ কৰা হৈছে। অসমত অমৃত কালৰ ধ্বজাবাহী প্ৰকল্প নিৰ্মাণ আৰু অসম মালা ২ পইণ্ট জিৰোৰ অধীনত পথ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে প্ৰস্তাৱ দিয়াৰ লগতে চাহ বাগিচা সম্প্ৰদায়ৰ কল্যাণৰ বাবেও বাজেটত প্ৰস্তাৱ ৰখা হৈছে। অমৃত কালৰ প্ৰকল্পৰ অধীনত ৩ হাজাৰ ২৫০ কোটি টকা ব্যয়ৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পুনৰ বিকাশ, ৮৩২ কোটি টকা ব্যয়ৰে নেহৰু ষ্টেডিয়ামক বিশ্বমানৰ ক্ৰীড়া ক্ষেত্ৰলৈ উন্নীতকৰণ, ৮৮৬ কোটি টকাৰে কাজিৰঙা প্ৰাকৃতিক ইতিহাস সংগ্ৰহালয় স্থাপন, গহপুৰত কনকলতা বিশ্ববিদ্যালয়ৰ বাবে ৫৫৪ কোটি টকা, অসম ৰাজ্যিক চিৰিয়াখানা আধুনিকীকৰণৰ বাবে ৩১১ কোটি টকা আৰু মা কামাখ্যা দিব্যলোক পৰিযোজনাৰ বাবে ৪৯৮ কোটি টকা প্ৰকল্পৰ ব্যয় ধাৰ্য কৰা হৈছে। সেউজ অসম নিৰ্মাণৰ লক্ষ্যৰে অমৃত বৃক্ষ আন্দোলনৰ অধীনত ৩ কোটি গছপুলি ৰোপন আৰু সকলো নতুন ব্যক্তিগত আৰু ৰাজহুৱা ভৱনত বাধ্যতামূলকভাৱে ৰুফ টপ ছ'লাৰ সংস্থাপনৰ বাবে প্ৰস্তাৱ দিয়া হৈছে। পূণ্য তীৰ্থ যোজনাৰ অধীনত ২৫ হাজাৰ যাত্ৰীক ৰাম মন্দিৰ দৰ্শন কৰিবলৈ বাজেটত ২৫ কোটি টকা ধাৰ্য কৰা হৈছে। আজি উত্থাপিত বাজেটত ক্ৰীড়া খণ্ডৰ বিকাশৰ বাবে কেইবাটাও প্ৰস্তাৱ দিয়া হৈছে। ইয়াৰ অধীনত প্ৰতিটো বিধানসভা সমষ্টিত

এটাকৈ যুৱ ক্লাবলৈ ক্ৰীড়া সা-সঁজুলি ক্ৰয়ৰ বাবে ১৫ লাখ টকাকৈ দিয়াৰ সিদ্ধান্ত লোৱা হৈছে। আৰক্ষী, কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালৰ বসবাসৰ সুব্যৱস্থাৰ বাবে ৰাজ্য চৰকাৰে অনাগত ৫ বছৰত এহাজাৰ বৰ্গ ফুটৰ দুটাকৈ শোৱনি কোঠাযুক্ত ১০ হাজাৰ নতুন গৃহ নিৰ্মাণৰ প্ৰস্তাৱো আজি বাজেটত দিয়া হৈছে। শিশুসকলৰ কল্যাণৰ বাবে এই বছৰত এহাজাৰ ২৫০ কোটি টকা ব্যয়ৰে পুনৰ ৫ হাজাৰটা আদৰ্শ অংগনবাড়ী নিৰ্মাণৰ প্ৰস্তাৱো বাজেটত দিয়া হৈছে। তদুপৰি কণী, গাখীৰ আৰু মাছ উৎপাদনত ৰাজ্যখনৰ আত্মনিৰ্ভৰশীলতাৰ বৃদ্ধিৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ বাজেটত ২৫ কোটি টকা ধাৰ্য কৰা হৈছে। অসম আৰক্ষীত অগ্নিবীৰ সকলৰ বাবে ১০ শতাংশ পদ সংৰক্ষণৰ প্ৰস্তাৱ আজি বাজেটত দিয়া হৈছে। আজি বাজেটত প্ৰস্তাৱিত আন এটা গুৰুত্বপূৰ্ণ পদক্ষেপ অনুসৰি যিসমূহ পৰিয়ালত চৰকাৰী বা ৰাজহুৱা খণ্ডৰ এজনো চাকৰিয়াল নাই তেনে প্ৰাৰ্থীয়ে নিযুক্তি পৰীক্ষাত লাভ কৰা নম্বৰৰ সৈতে অতিৰিক্ত ৫ শতাংশ নম্বৰ লাভ কৰিব। ইয়াৰ বাবে চলিত বছৰতে নতুন বিধেয়ক উত্থাপনৰো প্ৰস্তাৱ দিয়া হৈছে। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত হেৰিটেজ বেল্ট এণ্ড ব্লকৰ জৰিয়তে অসমৰ ঐতিহ্যমণ্ডিত ক্ষেত্ৰসমূহ সুৰক্ষিত কৰাৰ বিষয়েও বাজেটত উল্লেখ কৰা হৈছে।

০০০০০

আজি বিধানসভাত দাখিল কৰা চলিত বিত্তীয় বৰ্ষৰ বাজেটক ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই আদৰণি জনায়। এটা বিবৃতিত শ্ৰী কলিতাই এই বাজেটখন এখন সামগ্ৰিকভাৱে উন্নয়নকামী তথা জনমুখী আৰু আন্তঃগাঁথনিমূলক বাজেট বুলি মন্তব্য কৰে। তেওঁ কয় যে, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম, অসম মালা আদি আঁচনিৰ জৰিয়তে পথ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে বাজেটত কেইবাহাজাৰ কোটি টকা ধাৰ্য কৰা হৈছে। শ্ৰী কলিতাই অসমবাসীক এখন গতিশীল বাজেট দিয়াৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু বিত্ত মন্ত্ৰী অজন্তা নেওগক ধন্যবাদ জ্ঞাপন কৰে।

আজি সদনত দাখিল হোৱা বাজেট প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অমৃত কালত দেশক বিকশিত ভাৰতলৈ ৰূপান্তৰ সাধনৰ লক্ষ্যৰ দ্বাৰা অনুপ্ৰাণিত হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ অসমক দেশৰ ৫খন শ্ৰেষ্ঠ ৰাজ্যৰ এখন হিচাপে পৰিগণিত কৰাত সহায় কৰিবলগীয়া এখন সৰ্বাংগ সুন্দৰ বাজেট দাখিল কৰাৰ বাবে বিত্ত মন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে, এই বাজেটত নিয়োগৰ সুবিধা সৃষ্টিৰ দ্বাৰা বহনক্ষম উন্নয়নৰ বাস্তৱসন্মত পথৰ নিৰ্দেশনা দিয়া হৈছে। অসমে ২০২৪-২৫ বিত্তীয় বৰ্ষত মূলধনী ব্যয় ঐতিহাসিকভাৱে বৃদ্ধি কৰি ২০ হাজাৰ কোটি টকা কৰাৰ বাবে লক্ষ্য লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে কয় যে, এই বাজেটে মহিলা সৱলীকৰণ, পথ আন্তঃগাঁথনি উন্নয়ন, সেউজ অসম নিৰ্মাণ, চাহ জনগোষ্ঠীৰ বাবে উন্নয়নমূলক আঁচনি আৰু সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ বাবে পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০০

যোৰহাটৰ অসম গ্ৰামীণ বিকাশ বেংক স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগত আজিৰে পৰা ১০ দিনীয়াকৈ উন্নত মীন পালন প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। যোৰহাট জিলাৰ মীন উন্নয়ন বিষয়া খনিন্দ্ৰ ভূঞাই কৰ্মশালা মুকলি কৰে। এই কৰ্মশালাত কমেও ৪০ গৰাকী পুৰুষ আৰু মহিলা প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে। অনুষ্ঠানৰ সমল ব্যক্তিসকলে প্ৰশিক্ষাৰ্থীসকলক মীন পালন বিভিন্ন প্ৰয়োজনীয় দিশসমূহৰ বিষয়ে অৱগত কৰে।

০০০০০

চলিত বছৰৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আজি আৰম্ভ হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া সমূহ শিক্ষাৰ্থীলৈ শুভেচ্ছা জ্ঞাপন কৰি দিয়া এটা বাৰ্তাত কঠোৰ পৰিশ্ৰম আৰু নিষ্ঠাই তেওঁলোকক সফলতাৰ বাট দেখুৱাব বুলি আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে এইবাৰৰ পৰীক্ষাত মুঠ ২লাখ ৮০হাজাৰ ২১৬গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছে। ইয়াৰে কলা  শাখাত ২লাখ ছহেজাৰ ৪৬৭, বিজ্ঞান শাখাত ৫৫হাজাৰ ২৮৭, বাণিজ্য শাখাত ১৭হাজাৰ ৫৮২ আৰু বৃত্তিমুখী শাখাত ৮৮০গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছে। উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ পৰীক্ষা নিয়ন্ত্ৰক পংকজ বৰঠাকুৰে প্ৰকাশ কৰা মতে এইবাৰ ৮৭৭টা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হৈছে আৰু ৬১ টা মূল্যায়ন মণ্ডলত বহীসমূহ পৰীক্ষা কৰা হ'ব।  আজি আৰম্ভ হোৱা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰু ১৬ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে প্ৰতিখন জিলাতে পৰীক্ষা অনুষ্ঠিত হ'বলগীয়া কেন্দ্ৰসমূহৰ আশে-পাশে প্ৰশাসনে ১৪৪ ধাৰা জাৰি কৰি বিভিন্ন নিষেধাজ্ঞা আৰোপ কৰিছে। অহা ১৩ মাৰ্চত এই পৰীক্ষা অন্ত পৰিব।

ooooo

*সমাপ্ত*